
মনোৰঞ্জন

৩ ডিচেম্বৰত মুক্তি পাব ‘পঞ্চায়ত’ৰ পঞ্চম ছিজন, পুনৰ উভতিব ফুলেৰাৰ চিনাকি চৰিত্রসমূহ

অহা ৩ ডিচেম্বৰত প্রাইম ভিডিঅ’ত মুক্তি পাব জনপ্রিয় ৱেব ছিৰিজ ‘পঞ্চায়ত’ৰ পঞ্চম ছিজন। নতুন ছিজনত পুনৰ দেখা যাব ফুলেৰা গাঁৱৰ চিনাকি চৰিত্রসমূহক।

প্রকাশ: ১৮ নৱেম্বৰ ২০২৬, নিশা ৭:১৫



Panchayat Season 5 Poster (Social Media)

নতুন দিল্লী, ১৮ নৱেম্বৰ: জনপ্ৰিয় ৱেব ছিৰিজ ‘পঞ্চায়ত’ৰ পঞ্চম ছিজন অহা ৩ ডিচেম্বৰত প্ৰাইম ভিডিঅ’ত মুক্তি পাব। ছিৰিজখনৰ নতুন পোষ্টাৰ প্ৰকাশ কৰি মুক্তিৰ তাৰিখ ঘোষণা কৰা হৈছে।

পোষ্টাৰৰ লগত দিয়া বাৰ্তাত কোৱা হৈছে যে, ফুলেৰা গাঁৱত এইবাৰো থাকিব সংঘাত আৰু মৰমৰ কাহিনী। নতুন ছিজনত গাঁওখনৰ চিনাকি চৰিত্ৰসমূহক পুনৰ দেখা পাব দৰ্শকে।

পঞ্চম ছিজনত জিতেন্দ্র কুমাৰ, ৰঘুবীৰ যাদৱ, নীনা গুপ্তা আৰু অশোক পাঠকক পুনৰ তেওঁলোকৰ চিনাকি চৰিত্রত দেখা যাব।

চতুর্থ ছিজনৰ শেষত ফুলেৰা গাঁৱৰ ৰাজনীতিত ডাঙৰ পৰিৱর্তন ঘটিছিল। নির্বাচনত প্রধানজী আৰু মঞ্জু দেৱীৰ পৰাজয়ৰ পিছত ক্রান্তি দেৱী গাঁওখনৰ নতুন প্রধান হিচাপে নির্বাচিত হৈছিল। তেওঁৰ স্বামী বনৰাকাছেও নতুন ক্ষমতাকেন্দ্রত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছিল।

নতুন ছিজনৰ কাহিনী এই ৰাজনৈতিক পৰিৱর্তনক কেন্দ্র কৰি আগবঢ়াৰ সম্ভাৱনা আছে। নতুন প্রধানৰ অধীনত সচিবজী অর্থাৎ অভিষেক ত্রিপাঠীৰ কাম-কাজত নতুন প্রত্যাহ্বান আহিব। গাঁৱৰ আধৰুৱা কামসমূহ সম্পূর্ণ কৰাৰ লগতে এমবিএ কৰাৰ সপোন পূৰণৰ প্রস্তুতিও চলাব অভিষেকে। প্রধানজী আৰু মঞ্জু দেৱীৰ পৰাজয়ৰ পিছৰ জীৱনো নতুন ছিজনৰ অন্যতম আকর্ষণ হ'ব।

২০২০ চনত আৰম্ভ হোৱা 'পঞ্চায়ত' ৱেব ছিৰিজখনে সহজ-সৰল গ্রাম্য জীৱন, হাস্যৰস আৰু চৰিত্রসমূহৰ জৰিয়তে দর্শকৰ মাজত বিশেষ জনপ্রিয়তা লাভ কৰিছিল। ২০২২ চনত দ্বিতীয় ছিজন, ২০২৪ চনত তৃতীয় ছিজন আৰু তাৰ পিছত চতুর্থ ছিজন মুক্তি পাইছিল।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4248/panchayat-season-5-release-date